
অসম

মাথঘৰীয়াত টেংকাৰৰ পৰা ডিজেল চুৰিৰ অভিযোগত এজন আটক

গুৱাহাটীৰ মাথঘৰীয়াত ৰখাই থোৱা টেংকাৰৰ পৰা প্ৰায় ৬০ লিটাৰ ডিজেল চুৰিৰ অভিযোগত ৰূপেশ সাহ নামৰ এজনক স্থানীয় লোকে আটক কৰে।

প্ৰকাশ: ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৯



(NewzNow graphic)

গুৱাহাটী, ৮ নৱেম্বৰ: মাথঘৰীয়াৰ মাৰ্কেটিং ৰোডত ৰখাই থোৱা এখন টেংকাৰৰ পৰা ডিজেল চুৰি কৰাৰ অভিযোগত ৰূপেশ সাহ নামৰ এজন লোকক স্থানীয় বাসিন্দাসকলে হাতে-লোটে আটক কৰে।

শনিবাৰে সন্ধিয়া প্ৰায় ৮ বজাত সংঘটিত ঘটনাটোত অভিযুক্তজনে টেংকাৰখনৰ পৰা ডিজেল উলিয়াই আছিল বুলি অভিযোগ উঠিছে।

তেওঁৰ দখলৰ পৰা প্ৰায় ৬০ লিটাৰ ডিজেলভৰ্তি তিনিটা প্লাষ্টিকৰ ড্ৰাম উদ্ধাৰ কৰা হয়।

এই সন্দৰ্ভত প্ৰাঞ্জল ৰায়ে ৮ নৱেম্বৰত নুনমাটি থানাত এজাহাৰ দাখিল কৰে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ১৯৬/২০২৬ নম্বৰৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে।

গোচৰটোৰ তদন্তৰ দায়িত্ব সহকাৰী উপ-পৰিদৰ্শক গোবিন্দ পাটগিৰিক দিয়া হৈছে। আৰক্ষীয়ে ঘটনাটোৰ অধিক

তদন্ত অব্যাহত ৰাখিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1452/guwahati-mathgharia-diesel-theft-tanker